# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-11-2023

**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

১) বিজেপিৰ শীৰ্ষ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ আণ্টা, কোটা আৰু কৰৌলিৰ নিৰ্বাচনী সভাত ভাষণ দিব।

২) তেলেংগানাত ৩০ নৱেম্বৰত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। প্ৰায় সকলো দলৰ শীৰ্ষ নেতাই নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে।

৩) বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু অষ্ট্ৰেলিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পেনী ৱঙে আজি **চতুৰ্দশ বৈদেশিক মন্ত্ৰী পৰ্যায়ৰ আলোচনা**ত অংশগ্ৰহণ কৰিব।

৪) আজি বিশ্ব দূৰদৰ্শন দিৱস। দৃশ্য মাধ্যমৰ গুৰুত্ব বৃদ্ধি কৰিবলৈ আৰু বিভিন্ন সিদ্ধান্ত গ্ৰহণত ইয়াৰ ক্ৰমবৰ্ধমান প্ৰভাৱক স্বীকাৰ কৰি এই দিৱস পালন কৰা হয়।

আৰু

৫) ভাৰতৰ পংকজ আদৱানী আৰু সৌৰভ কোঠাৰি কাটাৰৰ ড'হাত চলি থকা বিশ্ব বিলিয়াৰ্ডছ্ চেম্পিয়নশ্বিপৰ ফাইনেলত পৰস্পৰ মুখামুখি হ'ব।

০০০০

ৰাজস্থান বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ তিনিদিন বাকী থকা সময়তেই আজি সকলো দলৰ শীৰ্ষ নেতাই ৰাজ্যজুৰি প্ৰচাৰ চলাইছে। বিজেপিৰ শীৰ্ষ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আণ্টা, কোটা আৰু কৰৌলিৰ ৰাজহুৱা সভাত ভাষণ দিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্ধিয়া জয়পুৰত এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰিব। প্ৰায় ৪ কিলোমিটাৰ দীঘলীয়া এই ৰোড শ্ব'ৰ বাবে বিশেষ প্ৰস্তুতি চলোৱা হৈছে বুলি জানিব পৰা গৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই ধোদ, ফটেহপুৰ আৰু শ্ৰীদুংগৰগড়ত প্ৰচাৰ অভিযান চলাব। যোগী আদিত্যনাথ, হিমন্ত বিশ্ব শৰ্মা, শিৱৰাজ সিং চৌহান, স্মৃতি ইৰাণী, পীয়ুছ গোৱেল, বসুন্ধৰা ৰাজে, গজেন্দ্ৰ সিং শ্বেখাৱট, অৰ্জুনৰাম মেঘৱালে বিভিন্ন স্থানত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলাব।

আনহাতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে উদয়পুৰ, জাল'ৰ আৰু বাৰ্মাৰ জিলাৰ নিৰ্বাচনী সভাত ভাগ ল'ব। কংগ্ৰেছ নেতা তথা মুখ্যমন্ত্ৰী অশোক গেহলটে ৫ খন জিলাৰ ৬ খন ৰাজহুৱা সভাত অংশ ল'ব।

০০০০

ৰাজস্থানত প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত আজি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ উপস্থিতিত বিধানসভা নিৰ্বাচনৰ বাবে দলৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী অশোক গেহলট, প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী শচীন পাইলট, প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী গোৱিন্দ সিং দোতাছাৰাৰ লগতে জ্যেষ্ঠ

নেতা জিতেন্দ্ৰ সিং, মুকুল ৱাছনিক আৰু চি পি যোশীকে ধৰি অন্যান্য নেতা উপস্থিত থাকে। নিৰ্বাচনী ইস্তাহাৰত মুখ্য প্ৰতিশ্ৰুতি হিচাপে স্বামীনাথন কমিটীৰ প্ৰতিবেদনৰ অনুমোদন অনুসৰি কৃষকৰ বাবে ন্যূনতম সমৰ্থন মূল্য আইন প্ৰযোজ্য কৰাৰ কথা কোৱা হৈছে। লগতে চিৰঞ্জীৱী স্বাস্থ্য বীমা আঁচনিৰ পৰিমাণ ২৫ লাখৰ পৰা ৫০ লাখ টকালৈ বৃদ্ধিৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। পুনৰ ক্ষমতালৈ আহিলে কংগ্ৰেছে ৪ লাখ চৰকাৰী চাকৰিকে ধৰি ১০ লাখ যুৱক-যুৱতীক কৰ্ম-সংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতি দিছে।

ইস্তাহাৰত প্ৰকাশ কৰা অনুসৰি পঞ্চায়ত পৰ্যায়ত নতুন কেডাৰৰ চৰকাৰী চাকৰি সৃষ্টি কৰা হ'ব। বৰ্তমান ৰাজস্থানত ৫০০ টকাত ৰন্ধন গেছ চিলিণ্ডাৰ যোগান ধৰি থকা গৈছে যদিও বি পি এল, এন এফ এছ এ আৰু উজ্জ্বল আঁচনিৰ হিতাধিকাৰীৰসকলৰ বাবে চিলিণ্ডাৰ ৪০০ টকাত যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। ৰাজ্যখনত ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানতো দ্বাদশ শ্ৰেণীপৰ্যন্ত বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰাৰ কথা কোৱা হৈছে। এম এনৰেগা আৰু ইন্দিৰা গান্ধী নগৰ কৰ্ম-সংস্থাপন আঁচনিৰ কৰ্মদিন ১২৫ৰ পৰা ১৫০ দিনলৈ বৃদ্ধি কৰিব কংগ্ৰেছ চৰকাৰে। ক্ষুদ্ৰ ব্যৱসায়ী আৰু দোকানীসকলৰ বাবে মাৰ্চেণ্ট ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত পাঁচ লাখ টকাপৰ্যন্ত সুদবিহীন ঋণৰ ব্যৱস্থা কৰা হ'ব। ১০০ জনসংখ্যা থকা প্ৰতিখন গাঁৱক পথ যোগাযোগেৰে সংযোগ কৰাৰ লগতে প্ৰতিখন গাঁও আৰু নগৰৰ ৱাৰ্ডত নিৰাপত্তা কৰ্মী নিয়োগ কৰা হ'ব। গৃহলাভৰ অধিকাৰ আইন প্ৰণয়ন কৰি প্ৰতিটো পৰিয়াললৈ বাসগৃহ দিয়াৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যত জাতিগত লোক গণনা কৰা হ'ব বুলি উল্লেখ কৰি কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয় যে, নিৰ্বাচনী ইস্তাহাৰত প্ৰতিটো প্ৰতিশ্ৰুতিয়েই আখৰে আখৰে পালন কৰা হ'ব।

০০০০

তেলেংগানাত ৩০ নৱেম্বৰত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। প্ৰায় সকলো দলৰ শীৰ্ষ নেতাই নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে। প্ৰতিটো সমষ্টিতে নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। শাসনাধিষ্ঠিত বি আৰ এছৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে বিগত এমাহত প্ৰায় ৭০ খন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিছে। বিজেপি আৰু কংগ্ৰেছৰ শীৰ্ষ নেতাসকলেও ৰাজ্যখনৰ চুকে-কোণে প্ৰচাৰত অংশ লৈছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত সপ্তাহতে হায়দৰাবাদ আৰু আন কেইবাখনো ঠাইত গণসভাত ভাগ ল'ব। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুছ গোৱেল আৰু নিৰ্মলা সীতাৰমণৰ লগতে মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছে দলৰ অন্যান্য শীৰ্ষ নেতাসকলৰ সৈতে আজি ৰাজ্যখনত প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে মাধিড়া, ৱাইড়া, দড়নাকাল আৰু সূৰ্যপেটত আজি ৰাজহুৱা সভাত ভাষণ দিব। আনহাতে তেওঁৰ পুত্ৰ তথা বি আৰ এছৰ কাৰ্যকৰী সভাপতিয়ে ডুবাকা, ছেকেন্দ্ৰাবাদ আৰু হায়দৰাবাদৰ ছানাটনগৰত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। কংগ্ৰেছৰ হৈ আজি কৰ্ণাটকৰ একাংশ মন্ত্ৰীয়ে প্ৰচাৰত ভাগ ল'ব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু অষ্ট্ৰেলিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পেনী ৱঙে **চতুৰ্দশ বৈদেশিক মন্ত্ৰী পৰ্যায়ৰ আলোচনাত** অংশগ্ৰহণ কৰিব। তেওঁলোকে বিস্তৃত কৌশলগত অংশীদাৰিত্বৰ অধীনত দুয়োগৰাকী মন্ত্ৰীয়ে যৌথ স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ক্ষেত্ৰত মত-বিনিময়

কৰিব। মন্ত্ৰী দুগৰাকীয়ে কালি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লছৰ সৈতে ইণ্ডিয়া-অষ্ট্ৰেলিয়া টু প্লাছ টু আলোচনাৰ সহ অধ্যক্ষতা কৰে।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ভাৰত আৰু অষ্ট্ৰেলিয়াই ২০০৯ চনৰ কৌশলগত অংশীদাৰিত্বৰ পৰা ২০২০ চনত সৰ্বাংগীণ কৌশলগত অংশীদাৰিত্বলৈ দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰে। যোৱা ডিচেম্বৰ মাহত অৰ্থনৈতিক সহযোগিতা আৰু বাণিজ্যৰ চুক্তি বলৱৎ হৈছিল। ভাৰত হৈছে অষ্ট্ৰেলিয়াৰ ষষ্ঠ বৃহৎ বাণিজ্যিক অংশীদাৰ দেশ।

০০০০

উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ ছিল্কয়াৰা সুৰংগত আবদ্ধ হৈ থকা ৪১ জন শ্ৰমিকৰ উদ্ধাৰ আৰু সাহায্য অভিযান যুদ্ধৰ গতিত চলি আছে। ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ সঞ্চালক মনীষ খালখ'ৰে কৈছে যে, ইতিমধ্যে সুৰংগটোৰ ৫৩ মিটাৰ ভিতৰলৈ এডাল ৬ ইঞ্চি ব্যাসৰ এডাল পাইপ স্থাপন কৰিব পৰা হৈছে। এই পাইপডালেৰে পূৰ্বতকৈ সহজতে আবদ্ধ শ্ৰমিকসকললৈ সুষম খাদ্য, ঔষধ আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী প্ৰেৰণ কৰিব পৰা হৈছে। বিদেশৰ পৰা অহা সুৰংগ বিশেষজ্ঞ আৰ্নল্ড ডিক্সে ঘটনাস্থলী পৰিদৰ্শন কৰি কয় যে, আবদ্ধ শ্ৰমিকসকলক উদ্ধাৰৰ বাবে উদ্ধাৰকাৰী দলে ইতিমধ্যে বহুখিনি কাম সম্পন্ন কৰিছে। উদ্ধাৰৰ বাবে পৰিকল্পনা কাৰ্যকৰী কৰাৰ পূৰ্বে আন কেতবোৰ প্ৰয়োজনীয় কাম সম্পন্ন কৰিব লাগিব বুলিও তেওঁ উল্লেখ কৰে। প্ৰশাসনৰ লোক আবদ্ধ শ্ৰমিকসকলৰ সৈতে যোগাযোগত আছে আৰু সকলো শ্ৰমিকেই সুস্থ হৈ আছে বুলি জানিব পৰা গৈছে।

০০০০

আজি বিশ্ব দূৰদৰ্শন দিৱস। দৃশ্য মাধ্যমৰ গুৰুত্ব বৃদ্ধি কৰিবলৈ আৰু বিভিন্ন সিদ্ধান্ত গ্ৰহণ ইয়াৰ ক্ৰমবৰ্ধমান প্ৰভাৱক স্বীকাৰ কৰি এই দিৱস পালন কৰা হয়। ১৯৯৬ চনৰ আজিৰ দিনটোতে ৰাষ্ট্ৰসংঘই পোনপ্ৰথমবাৰৰ বাবে বিশ্ব দূৰদৰ্শন মঞ্চ প্ৰতিষ্ঠা কৰি প্ৰতিবছৰে ২১ নৱেম্বৰ তাৰিখে বিশ্ব দূৰদৰ্শন দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

১৯২৪ চনত স্কটিছ্ অভিযন্তা জন বেয়াৰ্ডে দূৰদৰ্শনৰ আৱিষ্কাৰ কৰিছিল। ১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰত নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা ইউনেস্ক'ৰ সহযোগত ভাৰতত দূৰদৰ্শনৰ প্ৰচলন আৰম্ভ হয়।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভি মুৰুলিধৰণে তাঞ্জানীয়াৰ ৰাষ্ট্ৰপতি হুছেইন আলী ম্বিন্যি (MWINYI)ক কালি জাঞ্জিবাৰত সাক্ষাৎ কৰে। তেওঁ ৰাষ্ট্ৰপতিগৰাকীলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰে। ভাৰত-জাঞ্জিবাৰৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত তাঞ্জানীয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে আগবঢ়োৱা সমৰ্থন আৰু আই আই টি মাদ্ৰাজ জাঞ্জিবাৰ চৌহদৰ প্ৰতি তেওঁৰ পৃষ্ঠপোষকতাৰ বাবে মন্ত্ৰীগৰাকীয়ে কৃতজ্ঞতা প্ৰকাশ কৰে।

কালি আনুষ্ঠানিক ভ্ৰমণৰ বাবে জাঞ্জিবাৰত উপস্থিত হোৱা মুৰুলিধৰণে আই আই টি মাদ্ৰাজ জাঞ্জিবাৰ চৌহদ ভ্ৰমণ কৰি ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ সৈতে বাৰ্তালাপত মিলিত হয়। উজ্জ্বল মন আৰু প্ৰযুক্তিগত

উদ্ভাৱনৰ আঞ্চলিক বৃদ্ধিৰ ক্ষেত্ৰত এই চৌহদটোৱে এটা কেন্দ্ৰ হিচাপে কাম কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আস্থা প্ৰকাশ কৰে।

এই ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে তাঞ্জানীয়াৰ মন্ত্ৰীসকলৰ সৈতে আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। তাঞ্জানীয়াৰ নেতৃত্বৰ সৈতে দ্বিপাক্ষিক আলোচনাৰ বাবেও তেওঁ দাৰ-ইছ্-চালামলৈ যাব। ইয়াৰ উপৰিও তেওঁ দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগৰ বৃদ্ধিৰ লক্ষ্যৰে এখন ব্যৱসায়িক বৈঠকত অধ্যক্ষতা কৰিব। দাৰ-ইছ্-চালামত থকা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতেও মন্ত্ৰীগৰাকীয়ে কথা পাতিব।

০০০০

ভাৰতৰ পংকজ আদৱানী আৰু সৌৰভ কোঠাৰি কাটাৰৰ ড'হাত চলি থকা বিশ্ব বিলিয়াৰ্ডছ চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিছে। আন্তৰ্জাতিক বিলিয়াৰ্ডছ আৰু স্নুকাৰ সংস্থাই আয়োজন কৰা এই প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতৰ এই দুগৰাকী শ্ৰেষ্ঠ খেলুৱৈ পৰস্পৰ মুখামুখি হ'ব। ২৫ বাৰৰ বিশ্ব বিলিয়াৰ্ডছ আৰু স্নুকাৰ চেম্পিয়ন পংকজ আদৱানীয়ে নিজ দেশৰে ৰূপেশ শ্বাহক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনহাতে সৌৰভ কোঠাৰিয়ে ধ্ৰুৱ ছিটৱালাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

০০০০০

**ঃ সমাপ্ত ঃ**